# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 14-02-2025
**Time :** 1910 hrs

## Assamese Evening Bulletin
## Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ কৌশলগত সহযোগিতাক আগুৱাই লৈ যাব বুলি প্ৰকাশ কৰে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে নতুনকৈ কাৰ্যকৰী হোৱা তিনিখন ফৌজদাৰী আইন সন্দৰ্ভত নতুন দিল্লীত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৰ্ণাটকত দশম আন্তঃৰাষ্ট্ৰীয় মহিলা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে মাস্কটত হ'বলগীয়া ভাৰত মহাসাগৰ সন্মিলনৰ সময়ত বাংলাদেশৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ উপদেষ্টাৰ সৈতে দ্বিপাক্ষিক বাৰ্তালাপত মিলিত হোৱাৰ সম্ভাৱনা আছে।

*আৰু*

৫। উত্তৰাখণ্ডৰ হল্ডোৱানীত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সামৰণি অনুষ্ঠানত গৃহমন্ত্ৰী অমিত শ্বাহ মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ দুদিনীয়া আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ সামৰি ভাৰতলৈ উভতি আহে। এই ভ্ৰমণৰ পূৰ্বে শ্ৰী মোদীয়ে তিনিদিনীয়া কাৰ্যসূচীৰে ফ্ৰান্স ভ্ৰমণ কৰে। যোৱা ১০ ফেব্ৰুৱাৰীত তেওঁৰ এই যাত্ৰা আৰম্ভ হৈছিল। আজি ওভতনি যাত্ৰাৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে ৱাশ্বিংটন ডিচিৰ হোৱাইট হাউছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পক সাক্ষাৎ কৰে। সাক্ষাৎকালত প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁ ট্ৰাম্পৰ সৈতে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ কৌশলগত সহযোগিতাক আগুৱাই লৈ যাব। তেওঁ কয়, যে শ্ৰীট্ৰাম্পে উভয় দেশৰ মাজৰ সম্পৰ্কক সৰ্বাত্মক পৰ্যায়লৈ উন্নীত কৰাৰ ক্ষেত্ৰত যথেষ্ট আবদান আগবঢ়াইছে। প্ৰধানমন্ত্ৰীয়ে এই সন্দৰ্ভত টেক্সাছৰ হাউদী মোদী আৰু গুজৰাটৰ নমস্তে ট্ৰাম্প অনুষ্ঠানৰ বিষয়ে স্মৰণ কৰে। তেওঁ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত লাভ কৰা ঐতিহাসিক বিজয়ৰ বাবে ডোনাল্ড ট্ৰাম্পক অভিনন্দন জ্ঞাপন কৰে। শ্ৰীমোদীয়ে কয়, যে তেওঁলোকে দুয়োখন দেশৰ প্ৰগতি আৰু সমৃদ্ধি সুনিশ্চিত কৰাৰ বাবে কাম কৰি যাব। বৰ্তমানৰ সময় যুদ্ধৰ সময় নহয় বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে সকলো বিষয় কূটনৈতিকভাৱে সমাধান কৰা উচিত।

ৰাষ্ট্ৰপতি ট্ৰাম্পে শান্তি ঘূৰাই অনাৰ বাবে পদক্ষেপ লোৱাক লৈ শ্ৰীমোদীয়ে সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে বিশ্বই এই ক্ষেত্ৰত ভাৰতৰ নিৰপেক্ষ ৰাষ্ট্ৰ বুলি গণ্য কৰে যদিও ভাৰত নিৰপেক্ষ নহয়, বৰঞ্চ

সদায় শান্তিৰ পক্ষত থিয় দি অহা এখন ৰাষ্ট্ৰহে। সাক্ষাৎকালত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে শ্ৰীমোদীক তেওঁৰ পুৰণি বন্ধু আৰু এগৰাকী মহান নেতা বুলি আখ্যা দিয়ে।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছৰ সৈতে নতুনকৈ কাৰ্যকৰী হোৱা তিনিখন ফৌজদাৰী আইন সন্দৰ্ভত নতুন দিল্লীত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই তিনিখন নতুন ফৌজদাৰী আইন হৈছে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম। আৰক্ষী, কাৰাগাৰ, আদালত, বিচাৰ আৰু ফৰেন্সিক সন্দৰ্ভত মহাৰাষ্ট্ৰত এই তিনিওখন আইনৰ কাৰ্যকৰীকৰণ আৰু ইয়াৰ বৰ্তমান স্থিতি সন্দৰ্ভত এই পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকৰ সময়ছোৱাত শ্ৰীশ্বাহে মুখ্যমন্ত্ৰী ফাড়নবিছক মহাৰাষ্ট্ৰত এই তিনিওখন আইন অতি শীঘ্ৰে কাৰ্যকৰী কৰাৰ বাবে আহ্বান জনায়। তেওঁ এই আইনৰ অধীনত মহাৰাষ্ট্ৰ চৰকাৰক এটা আদৰ্শ বিচাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈও আহ্বান জনায়। মহাৰাষ্ট্ৰৰ উপ-আৰক্ষী অধীক্ষক ৰশ্মি শুক্লা আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলে এই বৈঠকত অংশ লয়। এই নতুন তিনিখন ফৌজদাৰী আইন বিগত বছৰৰ পহিলা জুলাইত সমগ্ৰ দেশতে কাৰ্যকৰী কৰা হৈছিল। ভাৰতৰ ন্যায়িক ব্যৱস্থাক অধিক স্বচ্ছ, দক্ষ আৰু সমসাময়িক সমাজৰ প্ৰয়োজনীয়তা পূৰণৰ উদ্দেশ্যে এই তিনিওখন আইন প্ৰৱৰ্তন কৰা হৈছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীফাড়নবিছে কয় যে মহাৰাষ্ট্ৰ আৰক্ষী বাহিনীৰ ৯০ শতাংশ লোকে এই আইনৰ অধীনত প্ৰশিক্ষণ সম্পন্ন কৰিছে। তেওঁ লগতে কয় যে ৭ বছৰ পুৰণি গোচৰসমূহৰ ক্ষেত্ৰত ফৰেনছিক আন্তঃগাঁথনিৰ বাবে চৰকাৰে ২৭খন ভেনৰ ব্যৱস্থা কৰিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি কৰ্ণাটক ভ্ৰমণ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে বেংগালুৰুত দা আৰ্ট অব লিভিঙে আয়োজন কৰা দশম আন্তঃৰাষ্ট্ৰীয় মহিলা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে। ভাষণ প্ৰসঙ্গত শ্ৰীমতী মুৰ্মুৱে কয় যে প্ৰযুক্তিৰ দিশত বৰ্তমান সময় আগুৱাই গৈছে, ইয়াৰ মাজতে আমি আমাৰ মানৱীয় প্ৰমূল্যসমূহ জীয়াই ৰাখিব লাগিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ ঝাৰখণ্ডৰ ৰাঁচীত বি আই টি মেস্ৰাৰ হীৰক জয়ন্তীৰ কাৰ্যসূচীত সম্বোধন কৰিব।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই চণ্ডীগড়ত আজি হাৰিয়ানা বিধানসভাৰ সদস্যসকলৰ বাবে সংসদীয় গণতান্ত্ৰিক গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সহযোগত আয়োজন কৰা অ'ৰিয়েণ্টেচন কাৰ্যসূচী মুকলি কৰে। হাৰিয়ানা বিধানসভাৰ অধ্যক্ষ হৰবিন্দৰ কল্যাণ, উপাধ্যক্ষ কৃষ্ণা সিদ্ধা, মুখ্যমন্ত্ৰী নাইব সিং ছাইনী, উত্তৰ প্ৰদেশ বিধানসভাৰ অধ্যক্ষ সতীশ মাহানা, হাৰিয়ানা বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ জ্ঞান চান্দ গুপ্তা আৰু কংগ্ৰেছৰ বিধায়ক ভাৰত ভূষণ বাট্ৰাও এই অনুষ্ঠানত উপস্থিত থাকে।

এই অনুষ্ঠানত উপস্থিত থাকি হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নাইব সিং ছাইনীয়ে কয় যে এয়া এটা গৌৰৱময় মুহূৰ্ত আৰু বিধানপালিকা গণতন্ত্ৰৰ শক্তিশালী স্তম্ভ। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই তেওঁৰ ভাষণত সংসদীয় ব্যৱস্থাৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। অনুষ্ঠানত উত্তৰ প্ৰদেশ বিধানসভাৰ অধ্যক্ষ সতীশ মাহানা, হাৰিয়ানা বিধানসভাৰ উপাধ্যক্ষ কৃষ্ণা মিদ্ধা আৰু কংগ্ৰেছৰ বিধায়ক ভাৰত ভূষণ বাট্ৰাইও ভাষণ দিয়ে।

০০০০০

ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে মাস্কটত ১৬ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া দুদিনীয়া ভাৰত মহাসাগৰ সন্মিলনৰ সময়ত বাংলাদেশৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ উপদেষ্টা মহম্মদ তৌহিদ হুছেইনৰ সৈতে দ্বিপাক্ষিক বাৰ্তালাপত মিলিত হোৱাৰ সম্ভাৱনা আছে। ওমানৰ বিদেশ মন্ত্ৰী আৰু ভাৰতৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰীগৰাকীয়ে বাংলাদেশৰ বৈদেশিক পৰিক্ৰমা উপদেষ্টাগৰাকীক এই সন্মিলনত ভাগ ল'বলৈ আমন্ত্ৰণ জনাইছে। ভাৰত আৰু ওমানৰ বৈদেশিক মন্ত্ৰালয়ে যুটীয়াভাৱে এই সন্মিলনৰ আয়োজন কৰিছে। বাংলাদেশৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ মহম্মদ ৰফিকুল আলমে কালি সংবাদ মাধ্যমৰ আগত এই কথা অৱগত কৰে। সাগৰীয় অংশদাৰিত্ব ক্ষেত্ৰত নতুন দিশৰ উন্মোচন শীৰ্ষৰে চলিত বছৰত এই সন্মিলনৰ আয়োজন কৰা হৈছে। ৩০খন দেশৰ অংশগ্ৰহণেৰে ২০১৬ চনত ছিংগাপুৰত ভাৰত মহাসাগৰ সন্মিলন আৰম্ভ কৰা হৈছিল। এই সন্মিলন বিগত ৮ বছৰত দেশসমূহৰ বিভিন্ন আঞ্চলিক বিষয় সন্দৰ্ভত আলোচনাৰ মঞ্চ হিচাপে পৰিগণিত হৈছে। সাগৰ দৃষ্টিভংগীৰ অংশ হিচাপে এই সন্মিলনে দেশসমূহৰ বিকাশ আৰু সুৰক্ষাৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে এখন সমূহীয়া মঞ্চ প্ৰদান কৰিছে।

০০০০০

নতুন দিল্লীৰ যশোভূমিত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা ভাৰত শক্তি সপ্তাহ ২০২৫ৰ আজি সামৰণি পৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১১ ফেব্ৰুৱাৰীত ভাৰ্চুৱেল ব্যৱস্থাৰে এই সপ্তাহ শুভাৰম্ভ কৰিছিল। শক্তি খণ্ডৰ এয়া হৈছে গোলকীয় পৰ্যায়ৰ দ্বিতীয় সৰ্ববৃহৎ মঞ্চ। এই কাৰ্যসূচীত বিভিন্ন দপ্তৰ, বিভিন্ন কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া, সৰ্বাধিক প্ৰদৰ্শনী স্থান আৰু ভালেমান সত্ৰ অনুষ্ঠিত হৈছিল। ১২০খন দেশৰ ৭০ হাজাৰৰো অধিক প্ৰতিনিধিয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, নৰৱে, ফ্ৰান্স, ৰাছিয়া আৰু জাপানকে ধৰি ১০খন দেশৰ এই শক্তি সপ্তাহত পেভিলিয়ন আছিল। দেশত প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ সফলতাক প্ৰতিফলিত কৰি এই সপ্তাহৰ আয়োজন কৰা হৈছিল যাতে গোলকীয় পৰ্যায়ত প্ৰধানমন্ত্ৰীৰ এই আঁচনি প্ৰতিফলিত হয়। দেশৰ শক্তি, নতুন আৰু নবীকৰণযোগ্য শক্তি, নিটি আয়োগ আৰু খনি মন্ত্ৰালয় আদিয়ে তেওঁলোকৰ বিভিন্ন সফলতা এই সপ্তাহত প্ৰদৰ্শন কৰিছিল।

০০০০০

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে আজি ভাৰত শক্তি সপ্তাহ বিশ্বৰ দ্বিতীয় বৃহৎ শক্তি মঞ্চ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে বুলি উল্লেখ কৰে। নতুন দিল্লীত অনুষ্ঠিত এই শক্তি সপ্তাহৰ সামৰণি সত্ৰত ভাষণ দি শ্ৰীপুৰীয়ে কয় যে এই মঞ্চ অন্য গোলকীয় শক্তি মঞ্চসমূহৰ পৰা পৃথকৰূপে বিবেচিত হৈছে। এই শক্তি মঞ্চই নেটৱৰ্কিং মঞ্চৰূপে সেৱা আগবঢ়োৱাৰ পৰিৱৰ্তে প্ৰকৃত ব্যৱসায়িক লেনদেনৰ সুবিধা প্ৰদান কৰিছে। ভাৰত শক্তি সপ্তাহৰ পৰৱৰ্তী সংস্কৰণ গোৱাত অনুষ্ঠিত হ'ব। এই মঞ্চই পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ, সেউজ শক্তি আৰু জৈৱ ইন্ধন আদি বিস্তৃত খণ্ড সামৰি উদ্ভাৱনীমূলক উন্নয়ন প্ৰদৰ্শনত বিশেষ গুৰুত্ব দিয়া হৈছে। তেওঁ এইছ পি চি এল বিপণীত প্ৰদৰ্শিত জৈৱ ইন্ধনচালিত দুচকীয়া আৰু তিনিচকীয়া বাহনৰ আৰ্হিৰ ব্যৱহাৰিক উদ্ভাৱন সন্দৰ্ভতো আলোকপাত কৰে।

০০০০০

গৃহ মন্ত্ৰালয়ে দিল্লীৰ পূৰ্বৰ মন্ত্ৰী সত্যেন্দৰ জৈনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ বাবে অনুমতি বিচাৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক অনুৰোধ জনাইছে। উল্লেখযোগ্য যে গৃহ মন্ত্ৰালয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ২১৮ অনুচ্ছেদৰ অধীনত শ্ৰীজৈনৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাষ্ট্ৰপতিৰ পৰা অনুমতি

বিচাৰিছে। বিধি বলবৎকাৰী সঞ্চালকালয়ৰ পৰা সংগ্ৰহিত যথেষ্ট প্ৰমাণৰ ওপৰত ভিত্তি কৰি তেওঁৰ বিৰুদ্ধে এই গোচৰ ৰুজু কৰিবলৈ বিচৰা হৈছে। অৰ্থনৈতিক অনিয়ম আৰু আন বহুকেইটা অভিযোগৰ বাবে শ্ৰীজৈনক তদাৰক কৰি থকা হৈছে।

০০০০০

উত্তৰাখণ্ডৰ হল্ডোৱানীত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আজি সামৰণি পৰে। গৃহমন্ত্ৰী অমিত শ্বাহে সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। সেউজ ক্ৰীড়া পদক্ষেপ হিচাপে উত্তৰাখণ্ড চৰকাৰে ৰাষ্ট্ৰীয় ক্ৰীড়া সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে উত্তৰাখণ্ড চৰকাৰৰ শলাগ লয়। এই অনুষ্ঠানত ভাৰতীয় অলিম্পিক সন্থাৰ অধ্যক্ষ পি টি উষাই ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সামৰণিৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। পাছত শ্ৰীশ্বাহে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পতাকা মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ হাতত অৰ্পণ কৰে। উল্লেখযোগ্য যে ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া মেঘালয়ত অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**